জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

৩১১ সংখ্যা, ৫ আহাৰ, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 311। DIBRUGARH, FRIDAY, JUNE 20, 2025। পৃষ্ঠা ১২+৮ (Pages 12-

### ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ সম্বৰ্দ্ধনা অনুষ্ঠানত ডঃ বসন্ত কুমাৰ গোস্বামী

## স্বনিৰ্ভৰশীল হ'ব লাগিব অসম সাহিত্য সভা

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৯ জুন ঃ** 'স্বনিৰ্ভৰশীল হ'ব লাগিব অসম সাহিত্য সভা, যাতে কাৰো ওচৰত হাত পাতিবলগীয়া নহয়।' ডিব্ৰুগড় ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱনত আজি অনুষ্ঠিত এটা সম্বৰ্দ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ। সাহিত্য সভাৰ অৱৰক্ষণ সমিতিৰ উপ-সভানেত্ৰী ডঃ ঋণুমা শৰ্মাই আঁত ধৰা অনুষ্ঠানত সভাপতি ডঃ গোস্বামীয়ে অসম সাহিত্য সভাই গ্ৰহণ কৰা আজীৱন সভ্য ভৰ্তি অভিযানৰ কাৰ্যসূচী সম্পৰ্কত কয়, 'আমি যদি ১০ কোটি টকা সদস্য ভৰ্তি কৰি ল'ব পাৰোঁ, তেতিয়া অসম সাহিত্য সভাই কাৰো ওচৰত হাত নপতাকৈ চলি থাকিব পাৰিব। আমাৰ লক্ষ্য অসম সাহিত্য সভাত ৪ লাখ আজীৱন সভ্য সদস্য কৰিবলৈ। এই ক্ষেত্ৰত আমি সঁহাৰিও লাভ কৰিছোঁ। ৯ মাৰ্চৰপৰা এই পৰ্যন্ত প্ৰায় ৫ হেজাৰৰো অধিক আজীৱন সভ্য সদস্য হৈছে।' সাহিত্য সভাৰ ভাবমূৰ্তি কোনোদিন ম্লান নহয় বুলি উল্লেখ কৰি ডঃ গোস্বামীয়ে আৰু কয়, এই ধৰণৰ কামো আমি প্ৰচেষ্টা হাতত লৈছোঁ। আনহাতে, নতুন প্ৰজন্মৰ বাবেও আমি কিছু কাৰ্যসূচী লৈছোঁ। ঠিক তেনেদৰে শিশুৰ বিজ্ঞানমনস্কতা গঢ় দিবলৈকো অসম সাহিত্য সভাই পৰিকল্পনা গ্ৰহণ কৰা বুলি তেওঁ কয়। কেনেকৈ নতুন প্ৰজন্মক অসমীয়া ভাষাটোৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰি, তাৰ বাবেও প্ৰচেষ্টা চলাই থকা বুলি উল্লেখ কৰে ডঃ গোস্বামীয়ে। চৰকাৰেও অসম সাহিত্য সভাৰ প্ৰতি এটা দায়িত্ব অৰ্পণ কৰিছে যে, পাঠ্যপুথি প্ৰণয়নত গুৰুত্বপূৰ্ণ ভূমিকা থাকিব অসম সাহিত্য সভাৰো। অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ অৱৰক্ষণ সমিতিৰ সভাপতি হৃদয়ানন্দ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয় যে অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। পৰিকল্পিত আৰু বিজ্ঞানসন্মতভাৱে অসম সাহিত্য সভাৰ কাম-কাজ পৰিচালনা কৰিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। 'সাহিত্য সভাত স্থিৰতা আনিবলৈ কিছু পৰিকল্পনা কৰা হৈছে। সাহিত্য সভাৰ দায়বদ্ধতা প্ৰদৰ্শন কৰিবলৈ শ্ৰম কৰিছোঁ।'



এনেদৰে কয় বৰাই। এই অনুষ্ঠানতে অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেৱজিৎ বৰাক ডিব্ৰুগড় সাহিত্য সভাকে ধৰি কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভা আদি শাখা সাহিত্য সভাসমূহে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক হিচাপে ডাঃ শান্তনু লহকৰে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰাৰ বিপৰীতে অসম সাহিত্য সভাৰ কুঁহি অনুষ্ঠানৰ আহ্বায়ক হিচাপে দায়িত্ব প্ৰদান কৰা হয় প্ৰশান্ত শইকীয়াক। আৰাধনা দত্ত আৰু সংগীবৃন্দই আৰম্ভণী গীত পৰিৱেশন কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নোমল চন্দ্ৰ গগৈ, জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগ, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ বিদায়ী সম্পাদক ভূৱন মোহন গোস্বামী, বিদায়ী সাংগঠনিক সম্পাদক অজয় সিংহ, নৱনিৰ্বাচিত সাংগঠনিক সম্পাদক সুনীল গুৰুং, নৱনিৰ্বাচিত আঞ্চলিক সম্পাদক ডাঃ শান্তনু লহকৰ, অসম সাহিত্য সভাৰ বৈদেশিক উপ-সমিতিৰ আহ্বায়ক ডঃ শশীকান্ত শইকীয়া আদিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।